No. of Printed Pages—3

437 (ASB2)

[16–HDGKACRM–M2]

MA 2nd Semester Exam., 2016

ASSAMESE

(Code : MAS05)

[অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদয় যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) মিছনেৰীসকলে পোনপ্ৰথমবাৰৰ বাবে কেতিয়া অসমত প্ৰৱেশ কৰিছিল ? তেওঁলোকৰ মূল উদ্দেশ্য কি আছিল ?

(খ) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বত প্ৰকাশিত হোৱা জনজাতীয় সংস্কৃতি আৰু নৃতত্ত্ব সম্পৰ্কীয় গ্ৰন্থৰ নাম লেখকৰ নামসহ উল্লেখ কৰক।

(গ) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বত প্ৰকাশিত হোৱা কেইখনমান সমালোচনামূলক গ্ৰন্থৰ নাম লেখকৰ নামসহ উল্লেখ কৰক।

(ঘ) নীলমণি ফুকনৰ মুঠ কবিতা-সংকলন কেইখন আৰু কি কি ?

(ঙ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ মূল পুথি কেইটা ? তেওঁৰ কাব্যগ্ৰন্থকেইখনৰ নাম উল্লেখ কৰক।

(চ) হেমচন্দ্ৰ বৰুৱাই কেইখন নাটক ৰচনা কৰিছিল ? নাটক-কেইখনৰ নাম উল্লেখ কৰক।

২। তলৰ যি কোনো **তিনিটাৰ** চমু টোকা লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) মণিৰাম দেৱান

(খ) ৰমণ্যাসবাদ

(গ) ঔপন্যাসিক চৈয়দ আব্দুল মালিক

(ঘ) গল্পকাৰ প্ৰবীণা শইকীয়া

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) অসমত মিছনেৰীসকলৰ প্ৰৱেশে কিবা পৰিৱৰ্তনৰ ইঙ্গিত বহন কৰিছিলনে ? বিচাৰ কৰক।

(খ) গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ এটি মূল্যায়ন আগবঢ়াওক।

(গ) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বত অসমত প্ৰতিষ্ঠা হোৱা বিভিন্ন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লেখ দি সমসাময়িক অসমীয়া সমাজ-জীৱনৰ বিষয়ে আপোনাৰ দৃষ্টিভঙ্গী ব্যক্ত কৰক।

(ঘ) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ কবি হিচাপে নিৰ্মল প্ৰভা বৰদলৈৰ কাব্যকৃতিৰ চমু আলোচনা আগবঢ়াওক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) অৰুণোদয় যুগৰ খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান লেখকসকলৰ ৰচনাৱলীৰ তুলনাত্মক বিশ্লেষণ আগবঢ়াওক।

(খ) জোনাকী যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ কি কি ? আলোচনা কৰক।

(গ) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বৰ উপন্যাস-সাহিত্যক কি কি ভাগত ভগাই আলোচনা কৰিব পাৰি ? বুজাই লিখক।

(ঘ) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্ব আৰু যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ চুটিগল্প ৰচনাত দৃশ্যমান পাৰ্থক্যসমূহ আলোচনা কৰক।

(ঙ) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ নাট্য-সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰক।

★★★